# যীচু আৰু চমৰীয়া লোকসকল - পুৰঠ পথাৰ

## আটাই অখ্ৰীষ্টিয় লোকৰ মাজত শিষ্য কৰিবলৈ যীচুৱে আজ্ঞা দিছিল

লৰা-ছোৱালীক শিকোৱা সকলে R5b অধ্যয়ন পঢ়া উচিত

**প্ৰাৰ্থনা ঃ** "প্ৰভু যীচু, অনুগ্ৰহ কৰি আমাৰ মণ্ডলীক সেই অৱহেলিত লোকবিলাকক দেখুৱাওক, আৰু তেওঁলোকলৈ আমি কাক পঠিয়াম আমাক দেখুৱাওক।"

**১। আপোনাৰ ওচৰৰ সমাজত "পুৰঠ পথাৰ" দেখিবলৈ আপোনাৰ অন্তৰ প্ৰস্তুত কৰক।**

### যীচু আৰু চমৰীয়া লোকবিলাক



এই ঘটনাৰ পটভূমি জানিবলৈ **যোহন** ৪:৪-২৬ পদ পঢ়ক।

কেইগৰাকীমান মাত্ৰ বিশ্বাসী থকা অখ্ৰীষ্টিয় গোটবোৰক যীচুৱে কিদৰে দৃষ্টি কৰিছে তাক জানিবলৈ **যোহন** ৪:২৭-৪২ পদ পঢ়ক।

**টোকা ঃ** যীচু আৰু তেওঁৰ শিষ্য সকল যিহুদী জাতিৰ লোক আছিল। সেই সময়ৰ যিহূদীবিলাকে চমৰিয়ালোকক অশুচি, অজাতি লোক বুলি মানিছিল।

তলত দিয়া বিৱৰণবোৰ **চাওঁক**।

ক) আনে হেয়জ্ঞান কৰা চমৰিয়াবিলাকক যীচুৱে কিদৰে ব্যৱহাৰ কৰিছিল, **২৭ আৰু** ৪০ পদ।

খ) **৩৫** পদ, চমৰিয়া লোকসকলক কিদৰে সন্মান কৰিব লাগে যীচুৱে তেওঁৰ শিষ্যবিলাকক কৈছিল।

গ) **৪১** পদ, চমৰিয়া লোকবিলাকে কিয় যীচুক বিশ্বাস কৰিবলৈ আহিছিল।

*(উত্তৰবোৰ ঃ*

*ক) তেওঁ তেওঁলোকৰ লগত কথা পাতিছিল, মৰমেৰে ব্যৱহাৰ কৰিছিল, আৰু কেইদিনমান তেওঁলোকৰ লগত থাকিছিল।*

*খ) শস্য দোৱা সময় পুৰ হওঁতে।*

*গ) যীচুৰ নিজৰ বাক্যৰ নিমিত্তে।)*

### অন্য জাতিবিলাকৰ বিষয়ে আমালৈ যীচুৰ প্ৰধান আজ্ঞা

**মথি ২৮:১৬–২০ পদত চাওক**

ক) তেওঁৰ শুভবাৰ্ত্তা ক'লৈ যোৱা যীচুৰ ইচ্ছা আছিল, ১৮ পদ।

খ) প্ৰত্যেক অখ্ৰীষ্টিয় দলবোৰত নতুন শিষ্যসকলৰ নিমিত্তে আমি কি কৰা উচিত, ১৯, ২০ পদ।

গ) আমি বিশ্বাসীসকলে কিমান দিনলৈ অন্য অখ্ৰীষ্টিয় দলবোৰলৈ শুভবাৰ্ত্তা নিয়া উচিত, ২০ পদ।

*(উত্তৰবোৰ ঃ*

*ক) প্ৰত্যেক অখ্ৰীষ্টিয় গোটবোৰলৈ।*

*খ) আমি আমাৰ নিজৰ লোকবিলাকলৈ কৰাৰ দৰে তেওঁলোকক বাপ্তিস্ম দিয়া আৰু যীচুৰ আজ্ঞা পালন কৰিবলৈ শিকাওক।*

*গ) যুগৰ অন্তলৈকে যেতিয়া যীচু পুনৰ আহিব।)*



ঈশ্বৰৰ লোকসকলে শুভবাৰ্ত্তা নিবলৈ **চাৰিখন ঠাই আছে।** পাঁচনিৰ **কৰ্ম্ম ১:৬-১১** পদত **চাওক;** তেওঁৰ অনুসৰণকাৰী সকলক ক'লৈ যাবলৈ যীচুৱে আজ্ঞা দিছিল।

ক) নতুন শিষ্য কৰা আমি ক'ত আৰম্ভ কৰা উচিত?

খ) ইয়াৰ পিছত আমি ক'লৈ যোৱা উচিত?

গ) তাৰ পিছত আমি ক'লৈ যোৱা উচিত?

ঘ) অৱশেষত আমি ক'লৈ যোৱা উচিত?

*(উত্তৰবোৰ (৮ পদত)ঃ*

*ক) যিৰুচালেম আমাৰ নিজৰ চহৰ আৰু অখ্ৰীষ্টিয় গোটৰ লগত মিলে।*

*খ) অন্য নগৰত যিহুদা আমাৰ নিজৰ একে দলৰ।*

*গ) আমাৰ ওচৰতে থকা আৰু আমাৰ নিজৰ অনুৰূপ, চমৰিয়া আন এক অখ্ৰীষ্টিয় গোটক বুজায়।*

*ঘ) 'জগতৰ সীমালৈকে', অৰ্থাৎ যিকোনো দেশৰ যিকোনো অৱহেলিত অখ্ৰীষ্টিয় গোট।)*

**কোনো অখ্ৰীষ্টিয় গোটলৈ আমাক তেওঁৰ শুভবাৰ্ত্তা কঢ়িয়াই নিয়া যীচুৱে ইচ্ছা কৰে।**

**টোকা ঃ** পৰজাতিয়ে আটাই অযিহূদী গোটবোৰক চামিল কৰে।

**ৰোমীয়া ১৫:১৪-২১ পদত চাওকঃ ক)** ১৬ পদত, অন্য পৰজাতি বিলাকক কিহে ঈশ্বৰৰ গ্ৰহনীয় কৰিলে।

খ) ১৮--১৯ পদত, অন্য পৰজাতিবিলাকক শিষ্য কৰিবলৈ আমি ক'ৰ পৰা শক্তি পাম।

গ) ২০ পদত, নতুন শিষ্য কৰিবলৈ আমি ক'লৈ যোৱা উচিত?



চমৰিয়া লোকসকল

*(উত্তৰবোৰ ঃ ক) যীচুক বিশ্বাস কৰিলে পবিত্ৰ আত্মাই তেওঁলোকক পবিত্ৰ কৰে।*

*খ) খ্ৰীষ্টৰ আৰু পবিত্ৰ আত্মাৰ পৰা।*

*গ) য'ত লোকবিলাকে এতিয়াত যীচুত বিশ্বাস কৰা নাই।)*

**২। অহা সপ্তাহৰ কাৰণে সহ-কৰ্ম্মীসকলৰ লগত কৰিবলগীয়া কামৰ আঁচনি কৰক।**

আপোনাৰ জাকৰ ওচৰত বাস কৰা অৱহেলিত খ্ৰীষ্টক নজনা লোকবিলাকৰ **চিনাক্ত কৰক।**

একেলগে **প্ৰাৰ্থনা কৰক,** আৰু শুভবাৰ্ত্তা ভগাই লোৱাত এই অৱহেলিত লোকবিলাকলৈ আপোনাৰ মণ্ডলীয়ে কি কৰা উচিত।

খ্ৰীষ্টক নজনা লোকবিলাকৰ জাগতিক আৰু আত্মিক প্ৰয়োজনবোৰ জানিবলৈ তেওঁলোকৰ ঘৰবিলাক **পৰিদৰ্শন কৰক,** আৰু বন্ধুত্ব স্থাপন কৰক।

অন্য দেশৰ খ্ৰীষ্টক নজনা লোকসকলৰ বিষয়ে **শিকক** আৰু মণ্ডলীয়ে তেওঁলোকৰ বিষয়ে জানিবলে এটি ৰিপোৰ্ট প্ৰস্তুত কৰক।

**৩। হব-লগীয়া উপাসনা সভাৰ আঁচনি সহ-কৰ্ম্মীসকলৰ লগত কৰক।**

কুঁৰাটোৰ কাষত থকা চমৰিয়া তিৰোতাৰ নাটখন **লৰা-ছোৱালীক** পৰিবেশন কৰিবলৈ দিয়ক, আৰু বয়সীয়া সকলৰ নিমিত্তে প্ৰস্তুত কৰা প্ৰশ্নবোৰ সুধিবলৈ দিয়ক।

সপ্তাহটোত আপুনি কি শিকিলে তাৰে **প্ৰতিবেদন** দাঙি ধৰক।

অৱহেলিত অখ্ৰীষ্টিয় গোটবোৰৰ নিমিত্তে, আৰু তেওঁলোকক শুভবাৰ্ত্তা দিবলৈ যাব খোজা মিশ্যেনেৰী সকলৰ নিমিত্তে। **প্ৰাৰ্থনা কৰক।** এক অৱহেলিত গোটৰ মাজত পুনৰাই নতুন গোট উদ্ভৱ কৰিবলৈ আপোনাৰ মণ্ডলীক পাঁচনি দিবলৈ পবিত্ৰ আত্মাৰ আগত নিবেদন কৰক।

**প্ৰভুৰ ভোজ** স্থাপন কৰিবলৈ যিচয়া ৫২:১৩; ৫৩:৬ পদলৈ পঢ়ক। বৰ্ণনা কৰক যে আটাই জাতিলৈ তেওঁৰ পৰিত্ৰাণ যোৱা প্ৰভু যীচুৱে ইচ্ছা কৰে, আৰু আমাৰ দৰে ১০০০ টা অখ্ৰীষ্টিয় গোটৰ লোকে প্ৰভুৰ ভোজ গ্ৰহণ কৰে।

**মুখস্থ কৰক,** যোহন ৪:৩৫, যি পদে আমাক পুৰঠ পকা পথাৰলৈ চাবলৈ কয়।

**প্ৰাৰ্থনা ঃ** "স্বৰ্গীয় পিতা, আমি আপোনাক ধন্যবাদ দিওঁ যিজনে আমাক ৰক্ষা কৰিবলৈ আমাৰ কাৰণে মৰিল। অৱহেলিত আৰু আন খ্ৰীষ্টক নজনা লোকলৈ শুভবাৰ্ত্তা নিয়াত আমাক সহায় কৰক।"



Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.